সৰুপথাৰ মহাবিদ্যালয়
স্থাপিত ঃ ১৯৭০ চন
SARUPATHAR COLLEGE

# প্ৰতিবিম্ব The Reflection
## ই-বাৰ্তা (বসন্ত বিশেষ সংখ্যা)

দ্বিতীয় বছৰ, দ্বিতীয় সংখ্যা, ২০২৫, সৰুপথাৰ মহাবিদ্যালয়

সৰুপথাৰ মহাবিদ্যালয় প্ৰকাশন কোষৰ দ্বাৰা প্ৰকাশিত।। দ্বিতীয় বছৰ, দ্বিতীয় সংখ্যা।। মাহেকীয়া ই-বাৰ্তা, ৩০ এপ্ৰিল, ২০২৫, বুধবাৰ

## বেজবৰুৱাৰ চুটিগল্প 'বিহু'

ড° প্ৰাপ্তি ঠাকুৰ, অধ্যক্ষ, সৰুপথাৰ মহাবিদ্যালয়

অসমীয়া জাতিক জাতীয় চৈতন্যৰে উদ্বুদ্ধ কৰি স-সন্মানেৰে জীয়াই থাকিব পৰাকৈ এক নৱজাগৰণৰ সৃষ্টি কৰিছিল সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই। তেখেতৰ এই আন্দোলনৰ আধাৰ আছিল সাহিত্য। সাহিত্যৰ জৰিয়তেই বেজবৰুৱাই অসমীয়া জাতিক এক গৌৰৱোজ্জ্বল পৰিচয় প্ৰদান কৰিছিল, জাতি হিচাপে জীয়াই ৰাখিবলৈ অহোপুৰুষাৰ্থ কৰিছিল, নিজৰ জীৱনটো পাত কৰিছিল। 'অসমীয়া মানুহক সাহিত্যৰ জৰিয়তে যিসকলে আত্মবিশ্বাস আৰু আত্মসন্মান দান কৰিছিল, বেজবৰুৱা আছিল আধুনিক অসমৰ সেইসকল নায়কৰ ভিতৰত প্ৰধান' (ড° হীৰেন গোহাঁই)।



স্বদেশপ্ৰেম বেজবৰুৱাৰ সাহিত্য সাধনাৰ অমল উৎস। গভীৰ আশাবাদ আৰু উদাৰনৈতিক মানৱতাবাদা ইয়াৰ সঞ্জীৱনী সুধা। অসমীয়া ভাষা, নৱবৈষ্ণৱ ধৰ্ম আৰু অসমীয়া সমাজৰ ওপৰত বাৰে বাৰে বংগীয় বিদেশীৰ যি আক্ৰমণ চলিছিল, প্ৰতিবাৰেই বেজবৰুৱাই গা পাতি লৈ প্ৰবল যুক্তি-তৰ্কৰে শত্ৰুপক্ষক ধৰাশায়ী কৰিহে ক্ষান্ত হৈছিল। 'জোনাকী'ৰ আদৰ্শ বেজবৰুৱাৰ সমগ্ৰ জীৱনত প্ৰতিফলিত হৈছিল, - সামগ্ৰিক সাহিত্যকৰ্মত জোনাকীৰ আদৰ্শ লৈয়েই তেখেতে এটাৰ পিছত এটাকৈ অবিস্মৰণীয় সৃষ্টি কৰি গৈছিল। আজীৱন চলাই যোৱা অসমীয়া ভাষা-সাহিত্যৰ সৌধ নিৰ্মাণৰ এই নিৰলস সাৰস্বত সাধনাই বেজবৰুৱাক অসমীয়া সাহিত্যৰ সাহিত্যৰথী স্বৰূপে প্ৰতিষ্ঠিত কৰিলে। অসমৰ প্ৰত্যেকটো দিশ, প্ৰত্যেকটো বিষয়ৰ সৈতে বেজবৰুৱাৰ হাড়ে-হিমজুৰে পৰিচয় আছিল। অসমৰ লোক-জীৱন, অসমৰ প্ৰাচীন ঐতিহ্য পৰম্পৰা, অসমৰ ইতিহাস, অসমৰ ধৰ্ম, অসমীয়া খাদ্য, অসমীয়া জনমানস- এই সকলোবোৰ বেজবৰুৱাৰ নখ-দৰ্পণত আছিল। চহা অসমীয়া সমাজখনৰ নব্য শিক্ষিত নতুন চামৰ লগত তথাকথিত ধৰ্মবাহকসকলৰ অন্তঃসাৰশূন্যতা সম্পৰ্কেও বেজবৰুৱা জ্ঞাত আছিল। সমগ্ৰ জীৱনটোৱেই অসমৰ বাহিৰত থাকিও, বঙালী পৰিয়ালৰ সৈতে বৈবাহিক সম্বন্ধ স্থাপন কৰিও বেজবৰুৱা চিৰদিন চিৰকাল অসমৰ অসমীয়াই হৈ থাকিল। কি শক্তিৰে বেজবৰুৱাই আমৃত্যু অসমীয়া সাহিত্য-সংস্কৃতিৰ পুনৰুদ্ধাৰ তথা পুনঃপ্ৰতিষ্ঠাত ব্ৰতী হৈ থাকিব পাৰিছিল - সেই কথা এতিয়া কল্পনাতো অবিশ্বাস্য। (...তৃতীয় পৃষ্ঠালৈ)

> **'অসমীয়া মানুহক সাহিত্যৰ জৰিয়তে যিসকলে আত্মবিশ্বাস আৰু আত্মসন্মান দান কৰিছিল, বেজবৰুৱা আছিল আধুনিক অসমৰ সেইসকল নায়কৰ ভিতৰত প্ৰধান'। (ড° হীৰেন গোহাঁই)**

## নতুনক আদৰিবলৈ প্ৰস্তুত হৈছে ৫৫ বছৰীয়া দুৰন্ত তৰুণ জীৱন গঢ়াৰ কমাৰশাল সৰুপথাৰ মহাবিদ্যালয়

সৰুপথাৰ মহাবিদ্যালয়ত ২০২৫-২৬ বৰ্ষৰ বাবে কলা আৰু বাণিজ্য শাখাত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ আৰু স্নাতক প্ৰথম ষান্মাসিকৰ নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হৈছে। উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তিৰ বাবে আসন আছে কলা শাখাৰ বাবে ৩০০ টা আৰু বাণিজ্য শাখাৰ বাবে ২০০ টা। ১৯৭০ চনতেই স্থাপিত হোৱা মহাবিদ্যালয়খনে ইতিমধ্যে অতিক্ৰম কৰিছে সোণালী জয়ন্তী বৰ্ষ। গোলাঘাট জিলাৰ সৰুপথাৰ সমজিলাৰ উচ্চ শিক্ষাৰ অনুষ্ঠান সৰুপথাৰ মহাবিদ্যালয়ত নতুনকৈ সংযোজন হৈছে অসম কৃষি বিশ্ববিদ্যালয়ৰ দ্বাৰা অনুমোদিত এবছৰীয়া মীন পালন আৰু 'চাহ প্ৰযুক্তি আৰু ব্যৱস্থাপনা'ৰ পাঠ্যক্ৰম। ইয়াৰোপৰি মহাবিদ্যালয়খনত থকা সুবিধাসমূহ হৈছে—



- ছাত্ৰ-ছাত্ৰীৰ বাবে ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (এন.চি.চি) আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনি (এন. এছ.এছ.)।
- অত্যাধুনিক ব্যায়ামগাৰ (GYM), মুক্ত পুথিভঁৰাল, ডিজিটেল কেন্দ্ৰীয় পুথিভঁৰাল।
- অভিজ্ঞ শিক্ষকৰ লগতে অত্যাধুনিক ডিজিটেল শ্ৰেণীকোঠাত পাঠদান।
- যাদুঘৰ (সংগ্ৰহালয়)
- এবছৰীয়া যোগ আৰু স্নাতকোত্তৰ কম্পিউটাৰ পাঠ্যক্ৰম।
- ছাত্ৰ-ছাত্ৰীৰ বাবে হোষ্টেলৰ ব্যৱস্থা।

ইয়াৰোপৰি মহাবিদ্যালয়খনত কুশল কোঁৱৰ অধ্যয়ন কেন্দ্ৰ, ভূপেন হাজৰিকা অধ্যয়ন কেন্দ্ৰ, শংকৰদেৱ অধ্যয়ন কেন্দ্ৰ, ভৱানী অধ্যয়ন কেন্দ্ৰ আছে।■

## সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষলৈ 'ৰাজ্যিক ৰামায়ণ সেৱক' বঁটা।

৬ এপ্ৰিল, ২০২৫ তাৰিখে লুইত-জিষ্ণু এডুকেচনেল ট্ৰাষ্টৰ উদ্যোগত আয়োজিত ৰাষ্ট্ৰীয় অযোধ্যানন্দন জন্মোৎসৱ, ২০২৫ অনুষ্ঠানত সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰলৈ আগবঢ়োৱা হয় 'ৰাজ্যিক ৰামায়ণ সেৱক' বঁটা, ২০২৫।



অনুষ্ঠানৰ শুভ উদ্বোধন কৰে অসমৰ সন্মানীয় ৰাজ্যপাল শ্ৰীযুত লক্ষ্মণ আচাৰ্যদেৱে। এই সভাত ড° কৰুণাশংকৰ ত্ৰিবেদী, ড° মালিনী, শ্ৰীযুত তৰেণ বড়ো প্ৰমুখ্যে কেইবাগৰাকীও ৰামায়ণী সাহিত্যৰ বৰেণ্য ব্যক্তি উপস্থিত থাকে। ট্ৰাষ্টৰ ফালৰ পৰা 'মাধৱ কন্দলী ৰামায়ণৰ প্ৰাচীনত্ব নিৰূপণ' শীৰ্ষক গ্ৰন্থৰ বাবে মূল লেখক ড° মালিনীৰ লগতে ৰেৱত মহন্ত আৰু ড° প্ৰাপ্তি ঠাকুৰলৈ 'ৰাজ্যিক ৰামায়ণ সেৱক' হিচাপে স্বীকৃতি প্ৰদান কৰে। ■

## সৰুপথাৰ মহাবিদ্যালয়ত কাজিৰঙা লোকসভা সমষ্টিৰ সন্মানীয় সাংসদ শ্ৰীকামাখ্যা প্ৰসাদ তাছা

০৯ এপ্ৰিল, ২০২৫ তাৰিখে বুধবাৰে কাজিৰঙা লোকসভা সমষ্টিৰ সন্মানীয় সাংসদ শ্ৰীকামাখ্যা প্ৰসাদ তাছা সৰুপথাৰ মহাবিদ্যালয়ত উপস্থিত হয়। মহাবিদ্যালয়ৰ যাদুঘৰ পৰিদৰ্শন কৰে সাংসদগৰাকীয়ে। উল্লেখযোগ্য যে সৰুপথাৰ মহাবিদ্যালয়ত যাদুঘৰ নামে এক সংগ্ৰহালয় নিৰ্মাণ কৰা হৈছে। সংগ্ৰহালয়ত হেৰাই যাব বিচৰা আপুৰুগীয়া, পুৰণি সম্পদসমূহ সংগ্ৰহ কৰাৰ প্ৰয়াস কৰা হৈছে।■



## ছাত্ৰ-ছাত্ৰীৰ স্বাৱলম্বীতাৰ দিশত সৰুপথাৰ মহাবিদ্যালয়ৰ অভিন্ন পদক্ষেপ

সৰুপথাৰ মহাবিদ্যালয়ৰ মহিলা-কোষৰ উদ্যোগত ৭ আৰু ৮ এপ্ৰিল, ২০২৫ তাৰিখে ছাত্ৰ-ছাত্ৰীৰ বাবে আয়োজন কৰা হয় কে'ক, নিমকি, খুৰমা ইত্যাদি প্ৰস্তুতকৰণৰ এটা দুদিনীয়া কৰ্মশালা। বিশেষকৈ মহাবিদ্যালয়ৰ পৰ্যায়তে ছাত্ৰীসকলক স্বাৱলম্বিতাৰ ক্ষেত্ৰত সৰুপথাৰ মহাবিদ্যালয়ে এক অভিন্ন পদক্ষেপ গ্ৰহণ কৰে। এই কৰ্মশালাত মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী বাৰ্বি সন্দিকৈ সমল ব্যক্তি হিচাপে উপস্থিত থাকে। ■









## ব'হাগৰ বৰষুণ ৰুণ্ জুন জুন ৰুণ্ জুন জুন ৰুণ্ জুন জুন সুকোমল গীতৰ মূৰ্ছনা...









## বসন্ত ঋতুৰ খবৰ

ড° ববিতা দত্ত, মুৰব্বী অধ্যাপিকা, অসমীয়া বিভাগ

বসন্ত ঋতুত প্ৰকৃতি নৱৰূপত উদ্ভাসি উঠে, প্ৰকৃতিৰ বিনন্দীয়া ৰূপত মুগ্ধ হয় মানুহ। বৰণীয়া প্ৰকৃতিৰ মাজত নানা গীত জুৰি পখীসৱে পৃথিৱীক ভালপোৱাৰ বাতৰি দিয়ে। ন-পানীত মুখ চাই পখীয়ে প্ৰেমৰ আস্বাদন গঢ়ে। গছে বনে ফুলে পাতে সেউজীয়াৰ উৎসৱ, আলিংগনৰ আদৰ। সৰাপাতৰ বুকুত গজে অলেখ সপোনৰ গজালি, দলিচা পাৰি আহিছে ব'হাগৰ হাঁহি।




ফাগুনৰ বতাহত লঠঙা হোৱা গছ-বিৰিখত ন কুঁহিপাত মেলি, ডালে ডালে ফুলে ফুলে জাতিষ্কাৰ হৈ উঠিছে। কুলি-কেতেকীৰ মাতত সাৰুৱা হোৱা ব'হাগৰ বতৰত মহাবিদ্যালয়ৰ বাকৰি পলসুৱা হৈ পৰিছে । প্ৰকৃতিৰ অকপট সুষমাৰে সুশোভিত, প্ৰেম আৰু সৌন্দৰ্যৰ বোকোচাত মহাবিদ্যালয়ৰ চৌপাশ উজ্বলি উঠিছে। বসন্ত ঋতুৰ আগমনে বঢ়াইছে প্ৰকৃতিৰ নান্দনিক শোভা আৰু প্ৰকৃতিৰ অনবদ্য শোভা বৰ্ধনে সকলোৰে মন প্ৰাণ কৰিছে সতেজ, সজীৱ; হৃদয়ত ৰোপিত হৈছে নতুনক আকোঁৱালি লোৱাৰ হেঁপাহ।■

## মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰলৈ বাণিজ্য শাখাৰ গ্ৰন্থ প্ৰদান

১০ এপ্ৰিল, ২০২৫ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰলৈ বাণিজ্য শাখাৰ বাবে গ্ৰন্থ প্ৰদান কৰে সৰুপথাৰ নগৰৰ শ্ৰী শুভম আগৰৱালাই। সৰুপথাৰ নগৰৰ ৮ নং ৱাৰ্ডৰ সংগীতা আগৰৱালাৰ পুত্ৰ শ্ৰী শুভম আগৰৱালাই মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰলৈ বাণিজ্য শাখাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে যথেষ্ট সংখ্যক গ্ৰন্থ আগবঢ়ায়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এই গ্ৰন্থসমূহে বিদ্যায়তনিক ক্ষেত্ৰৰ লগতে নিযুক্তি আদিৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হ'ব। গ্ৰন্থ প্ৰদান কৰি যি মহানুভৱতা দেখুৱালে সংগীতা আগৰৱালা আৰু শুভম আগৰৱালালৈ মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গই ধন্যবাদ জ্ঞাপন কৰে।■





## বিনামূলীয়া স্বাস্থ্য শিবিৰ

৫ এপ্ৰিল, ২০২৫ তাৰিখে এপ্ৰিল মাহৰ প্ৰথমটো শনিবাৰে সৰুপথাৰ মহাবিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত হয় বিনামূলীয়া চিকিৎসা শিবিৰ। ২০২৩ বৰ্ষৰ পৰা সৰুপথাৰ মহাবিদ্যালয়ৰ উদ্যোগত আৰু সৰুপথাৰ সমজিলা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সহযোগত প্ৰতি মাহৰ প্ৰথমটো শনিবাৰে বিভিন্ন ঠাইত এটা বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত কৰি অহা হৈছে। এপ্ৰিল মাহৰ বিনামূলীয়া স্বাস্থ্য শিবিৰ সম্পন্ন কৰা হয় সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত, ছাত্ৰ-ছাত্ৰী সমন্বিতে শিক্ষক-কৰ্মচাৰীসকলৰ বাবে।■




## সৰুপথাৰ মহাবিদ্যালয়ত উৎপাদিত ফচল

"পাচলিৰ বাগিচা সৰু বাগিচা
আমাৰ সৰু বাগিচা জানো দেখিছা..."









উৎপাদিত পাচলিৰ আলোকচিত্ৰ

## খুছী ফাউণ্ডেশ্যনৰ বৃক্ষ ৰোপণ কাৰ্যসূচী

১৯ এপ্ৰিল, ২০২৫ তাপিৰখে সৰুপথাৰ মহাবিদ্যালয়ৰ নৱনিৰ্মিত ছাত্ৰী নিবাসৰ প্ৰাঙ্গনত জোনাকী নগৰ খুছী ফাউণ্ডেশ্যনৰ হৈ খুছীয়ে মহাবিদালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ, সমাজ কৰ্মী প্ৰণতি দুৱৰা আৰু মানিক দেৱৰ সহযোগত ১০ জোপা কৃষ্ণচূড়া পুলি ৰোপন কৰে। ইয়াৰোপৰি বিভিন্ন সময়ত খুছী ফাউণ্ডেশ্যনে সৰুপথাৰ মহাবিদ্যালয়ৰ প্ৰাঙ্গনত বৃক্ষ ৰোপণ কৰি আহিছে। ইয়াৰ লগতে সৰুপথাৰ অঞ্চলৰ বিভিন্ন স্থানত বৃক্ষ ৰোপণ কাৰ্যসূচী কৰি আহিছে।■



## Weaving Exhibition 2025 Showcases Innovation and Entrepreneurial Spirit at Sarupathar College

*April 8, 2025*: Sarupathar College successfully hosted the Weaving Exhibition – 2025 at its Conference Hall, marking the conclusion of a two-month training programme under the **Samarth Scheme** for capacity building in weaving. The initiative was jointly organized by the **Department of Commerce** and the **Internal Quality Assurance Cell (IQAC)** of the college, in collaboration with the **Indian Institute of Entrepreneurship (IIE), Guwahati**.

The exhibition aimed to highlight the creative talents and technical skills of over 30 trainees who received specialized training in traditional weaving practices. The event drew the presence of respected guests, faculty members, and local stakeholders, generating enthusiasm among participants and attendees alike. The programme was graced by several dignitaries from the **Sualkuchi Institute of Fashion Technology**, including **Ms. Niranjali Kakati** (Principal), **Mr. Sharma** (Faculty Member), **Mr. Kakati** (Master Trainer).

The event was hosted by **Dr. Bobita Dutta**, one of the convenors of the training initiative in the presence of other college representatives: Principal **Dr. Prapti Thakur**, Vice Principal **Mr. Nabajyoti Goswami**, IQAC Coordinator **Dr. Ridip Khanikar**, **Mr. Prasanta Poddar**, Head, Dept. of Commerce and **Mr. Nareshwar Basumutary**, Assistant Professor, Dept. of Economics.

A wide range of handloom products created during the training period was displayed, showcasing the cultural richness and intricate craftsmanship of traditional weaving techniques.

Guest of Honour **Ms. Niranjali Kakati** praised Sarupathar College for its initiative and commended the dedication of **Master Trainer Mr. Naba Gogoi** for his role in executing the programme effectively. Dignitaries lauded the high quality and aesthetic appeal of the exhibited products, emphasizing the significance of handloom weaving as a sustainable, culturally rooted industry. The exhibition also served as an interactive platform for trainees to receive feedback from experts and professionals in the field.

The Weaving Exhibition – 2025 not only celebrated the achievements of its trainees but also reinforced the importance of skill development in preserving traditional crafts. By facilitating meaningful interaction between artisans, academicians, and industry experts, the event successfully contributed to the broader goals of the **Samarth Scheme**—empowering local artisans and strengthening the handloom sector through structured training and support.■

## Economics Department Launches First Volume of Handwritten Magazine 'Artha Drishti'

The Department of Economics marked a proud moment with the inauguration of the first volume of its handwritten magazine, *Artha Drishti on 30th April,2025*. This milestone event celebrates the department's commitment to both academic excellence and creative expression. The launch ceremony was honoured by the presence of the Principal Dr. Prapti Thakur and Vice Principal Mr. Jayanta Borah, whose encouraging words added to the significance of the occasion. *Artha Drishti (Volume 1)* showcases the insight, enthusiasm, and dedication of the students, offering a refreshing perspective on economic ideas and discourse.■

প্ৰথম পৃষ্ঠাৰ পৰা... **বেজবৰুৱাৰ চুটিগল্প** (ড° প্ৰাপ্তি ঠাকুৰ,)

... বোধকৰোঁ এই অদম্য শক্তি লাভ কৰিছিল তেখেতে নিজে কোৱাৰ দৰেই - 'গুৰি ডোখৰত অটল চৰিত্ৰবান পিতৃদেৱতাৰ কটকটীয়া নীতি আৰু ধৰ্ম শিক্ষাৰ বান্ধোনে মোকো উলা-মূলা পছোৱা কুকুৰাই লৰাব নোৱাৰা কৰি থৈছিল।' অসমীয়া সমাজৰ, অসমীয়া সাহিত্যৰ বৰভেটি গঢ়িবৰ বাবে অহোপুৰুষাৰ্থ কৰা বেজবৰুৱাৰ চৰিত্ৰৰ মহত্ত্ব আছিল এয়েই।

স্বদেশ আৰু স্বজাতিৰ মংগল মন্দিৰৰ সিংহদুৱাৰ হৈছে মাতৃভাষা - এই অমৃত বাক্যকে সাৰোগত কৰি মাতৃভাষাৰ প্ৰসাৰ আৰু প্ৰচাৰত আত্মোৎসৰ্গ কৰা বেজবৰুৱাই মাতৃভাষাক সমৃদ্ধিশালী কৰিবলৈ সাহিত্যৰ প্ৰায় আটাইবোৰ উপাদানতেই হাত দিছিল। কবিতা, নাটক, উপন্যাস, চুটিগল্প, ব্যংগ-হাস্য ৰস ৰচনা, প্ৰবন্ধ, সমালোচনা, জীৱনী, আত্মজীৱনী — এই প্ৰত্যেকটো সৃষ্টিতে বেজবৰুৱাৰ অমিত প্ৰতিভাৰ স্বাক্ষৰ আছে।

অসমীয়া চুটিগল্পৰ পিতৃ পুৰুষ লক্ষ্মীনাথ বেজবৰুৱা। বিশ্ব সাহিত্যৰ এইবিধ আধুনিক উপাদানক তেখেতেই অসমীয়া সাহিত্যলৈ আদৰি আনে। লক্ষ্মীৰ জ্যোতিৰে উদ্ভাসিত হৈ আছে অসমীয়া চুটিগল্প। বেজবৰুৱাই চুটিগল্প ৰচনা কৰিছিল অনায়াসে, স্বতঃস্ফূৰ্তভাৱে। সাৰ্থক চুটিগল্প সৃষ্টি কৰাৰ বাবে তেওঁ আংগিক বা বিভিন্ন মতবাদৰ পৰীক্ষা-নিৰীক্ষাৰ বাবে গল্প ৰচনা কৰা নাছিল। নিজৰ স্বভাৱসিদ্ধ কথনশৈলীৰে গল্প ৰচনা কৰিছিল।

সাধুকথাৰ এটা আধুনিক উন্নত স্তৰ হিচাপেও বেজবৰুৱাই চুটিগল্পক বিবেচনা কৰিছিল যেন অনুমান হয়। প্ৰায়খিনি ৰচনাৰ দৰে চুটিগল্প সৃষ্টিৰ অন্তৰালতো আছিল তেখেতৰ এটাই উদ্দেশ্য - অসমীয়া জাতিৰ জাতীয় চৈতন্য জগাই তোলা আৰু মাতৃভাষাৰ সাহিত্য ভঁৰাল চহকী কৰা। আধুনিক মনৰ অধিকাৰী বেজবৰুৱাই নিজৰ গল্পবোৰৰ জৰিয়তেও এই আধুনিকতাৰ বাৰ্তা প্ৰেৰণ কৰিছে। অত্যন্ত স্পষ্ট আৰু যথাৰ্থ ৰূপত গল্পবোৰে বহন কৰিছে বেজবৰুৱাৰ আধুনিক দৃষ্টিভংগী আৰু আধুনিক ভাৱধাৰা। সেই সময়ৰ অসমীয়া সাহিত্যৰ পয়ালগা অৱস্থাটো আঁতৰ কৰিবলৈ বেজবৰুৱাই অকলশৰেই তেখেতৰ সাহিত্য কৰ্মৰ মাধ্যমেৰে ঐকান্তিক প্ৰচেষ্টা চলাইছিল। 'য'তেই চকু পৰিছিল তাতেই তেওঁ দেখিছিল অসমীয়া সমাজখনৰ কেৰোণবোৰ। অস্পৃশ্যতা, জাত-পাতৰ অলংঘনীয় প্ৰাচীৰ, অন্ধবিশ্বাস, কু-সংস্কাৰ, ধৰ্মৰ গোড়ামি, নাৰী নিৰ্যাতন - এই সকলোবোৰৰ বিপক্ষে বেজবৰুৱাই অবিৰতভাৱে মাত মাতি গৈছে, অহৰহ প্ৰতিবাদ কৰিছে। সাহিত্যিক বেজবৰুৱা চৰিত্ৰৰ দীঘে-বাণিয়ে সোমাই আছে সমাজ সংস্কাৰক, সমালোচক বেজবৰুৱা। তেখেতৰ গল্পবোৰো ইয়াৰ ব্যতিক্ৰম হোৱা নাই। জ্ঞাতসাৰেই হওক বা অজ্ঞাতসাৰেই হওক সমাজ সংস্কাৰৰ এই সুতীব্ৰ প্ৰৱণতাৰে গল্পবোৰ বাংময় হৈ পৰিছে। তাৰ বাবে কেতিয়াবা গল্পবোৰ অধিক পোনপটীয়া হৈছে, গল্পবোৰৰ শিল্পগুণ ক্ষুণ্ণ হৈছে, কিন্তু বেজবৰুৱাৰ বাবে সেইটো গুৰুত্বপূণ কথা নিশ্চয় কেতিয়াও নাছিল। কাৰণ তেখেতে সাৰ্থক গল্প সৃষ্টি কৰাৰ উদ্দেশ্যে গল্প ৰচনাত কেতিয়াও মনোনিৱেশ কৰা নাছিল - গল্প একোটাক একো একোপাট সমাজ পৰিৱৰ্তনৰ আহিলা হিচাপেহে গ্ৰহণ কৰিছিল। বেজবৰুৱা ৰসৰ অক্ষয় ভাণ্ডাৰ, ৰসৰাজ! ৰসৰাজৰ গল্পবোৰ ৰসত ডুব গৈ আছে, বিভিন্ন ভংগীমাৰ লহৰ তুলি তোলপাৰ লগাইছে। এই কৃপাবৰী ৰূপটোৰ প্ৰকাশ কিছুমান গল্পত বেছিকৈয়ে আছে। কিন্তু বেজবৰুৱাৰ এই ৰস-ৰচনাই লঘু হাস্যৰস সৃষ্টি কৰা নাই - এটা জাতিক কলাঘুমটিৰ পৰা জগোৱাৰ প্ৰচেষ্টাৰ লগতে আত্মশুদ্ধিকৰণৰ প্ৰস্তাৱনাও তাতেই খোদিত হৈ আছে।

অসমীয়া সমাজ-ব্যৱস্থাৰ অন্য এক প্ৰতিফলন দেখা গৈছে বেজবৰুৱাৰ 'বিহু' গল্পটোত। লেখকৰ সৃষ্টিশীল কল্পনাৰে সুখপাঠ্য এই গল্পটোৰ জৰিয়তে অসমৰ প্ৰধান লোক-উৎসৱ বিহুৰ ওপৰত আলোকপাত কৰা হৈছে। ঊনবিংশ শতিকাত পাশ্চাত্য শিক্ষা-সাহিত্যৰে সমৃদ্ধ এচাম লোকে 'বিহু'ক ন্যায্য মৰ্যাদা দিব খোজা নাছিল। ৰক্ষণশীল দৃষ্টিভংগীৰে বিহুৰ নৃত্য-গীতক অশ্লীল আখ্যা দি সভ্য সমাজৰ পৰিচায়ক নহয় বুলি নিন্দা কৰা হৈছিল। পাশ্চাত্য শিক্ষাৰে শিক্ষিত এচামে ইউৰোপীয় আচাৰ-আচৰণ গ্ৰহণ কৰি নিজকে সভ্য বুলি বিবেচনা কৰিছিল আৰু 'বিহু' তেওঁলোকৰ দৃষ্টিত অসভ্য হিচাপে বিবেচিত হৈছিল। কৃষিভিত্তিক গ্ৰাম্য সমাজৰ মহিলা-পুৰুষ, ডেকা-গাভৰু, বুঢ়া-বুঢ়ী, ল'ৰা-ছোৱালীৰ মুকলিমূৰীয়া স্বতঃস্ফূৰ্ত নৃত্য-গীত, আচাৰ-ব্যৱহাৰক এই নব্যশিক্ষিত চামে উপলব্ধি কৰিব পৰা নাছিল। বেজবৰুৱাই বুজিছিল বিহুৰ মাহাত্ম্য। শ্ৰমজীৱি জনগণৰ প্ৰাণৱন্ত জীৱনৰ বৰ্ণাঢ্য সমাৱেশ এই বিহু উৎসৱৰ ন্যায্যপ্ৰাপ্তিৰ বাবে তেখেত যত্নপৰ হৈছিল। 'বিহু' গল্পটোত বেজবৰুৱাই এই দ্বন্দ্বক অতি কৌশলেৰে শিল্পসন্মত ৰূপত উপস্থাপন কৰিছে। শ্ৰম আৰু ঘামেৰে সিক্ত গ্ৰাম্য সমাজৰ সৰল-সহজ স্বাভাৱিক পৰিৱেশৰ সৌন্দৰ্য এই গল্পটোত দেখুওৱা হৈছে। বিহুক অশ্লীল বুলি ক'ব খোজাসকললৈ এগৰাকী গ্ৰামীণ বৃদ্ধাৰ মুখেৰে তীব্ৰ ব্যংগবাণ নিক্ষেপ কৰা হৈছে এইদৰে — 'আপোনালোকে ইংৰাজী পঢ়ি ইংৰাজী সভ্যতা শিকি তাকে ভাল বুলি সৰোগত কৰি লৈছে। সেইখিনি চাহাব-চাহাবনীয়ে নাচিলে আপোনালোকে সুবিধা পালে যোগ দিবলৈকো ৰাজী। বিলাতৰ ফালৰ কত ৰকম নিলাজ নাচক আপোনালোকে শিক্ষাৰ গুণত নিলাজ বুলি ভাবিবকেই নোৱাৰে; কিন্তু আমাৰ সাতাম পুৰুষীয়া বিহুৰ নাচ ফেৰা আপোনাসকলৰ চকুৰ কুটা দাঁতৰ শাল।' আকৌ সেইদৰে বিহু যে প্ৰাণ-প্ৰাচুৰ্যৰে পৰিপূৰ্ণ মুক্ত জীৱন-যৌৱনৰ স্বাভাৱিক প্ৰকাশ আৰু বিহুৱে যে মানুহক অতুলনীয় নিভাঁজ আনন্দ প্ৰদানেৰে সুস্থ জীৱনী শক্তি আৰু দীৰ্ঘ জীৱন উপহাৰ দিব পাৰে তাকো গল্পটোত কোৱা হৈছে- 'আমি সভ্য গাঁৱলীয়া; কিন্তু একেষাৰ কথা মই ডাঙৰীয়াক জনাওঁ। আমি বনৰ ফুল, ঈশ্বৰৰ আপডালত বনতে বাঢ়িছোহঁক, মিচা বেইচা, মিংছা লাজ, মিছা সংকোচ কাক বোলে আমি নাজানোহঁক। আপোনালোকে কোম্পানীৰ বাগিচাৰ ফুল, কত ৰকম কৰি কত চিত্ৰ-বিচিত্ৰ কৰি আপোনালোকক মলীয়াই সজাই পানী দিছে, আপডাল কৰিছে। এদিনৰ অযত্নতে, অলপ কথাতে আপোনালোক জঁয় পৰি শুকাই যায়। আমি সেই বিধৰ নহওঁ।'

শ্ৰম আৰু ঘামেৰে সিক্ত গ্ৰাম্য সমাজৰ সহজ-সৰল স্বাভাৱিক সৌন্দৰ্য এই গল্পটোত দেখুওৱা হৈছে। গল্পটোত থকা বিশেষ গ্ৰামীণ বৃদ্ধাগৰাকীৰ ধৰণ-কৰণ, কথা-বতৰা যিদৰে স্বাভাৱিক, কোনো ভয় সংকোচ নথকা; সেইদৰে তেওঁৰ জীয়ৰী-বোৱাৰীহঁতৰ তেনে স্বাভাৱিক, আঁৰ-বেৰ নথকা। শাহুৰ সৈতে তেওঁলোকেও সমানে সমানে মুখচুপতি মাৰিব পাৰে। হাঁহি-ধেমালি, ৰং ৰহইচ পৈতৃক সম্পত্তি, উত্তৰাধিকাৰী সূত্ৰে লাভ কৰা একান্ত নিজৰ!

নগৰীয়া আধুনিকতাই ভাবিব নোৱাৰা ধৰণে চহা সমাজৰ শাশ্বত প্ৰাচুৰ্যই গ্ৰাম্য জীৱনক সমৃদ্ধ কৰে। ৰঙিয়াল-আনন্দকৰ সজীৱ পৰিৱেশে মানুহৰ দেহ-মনক সতেজ প্ৰাণৱন্ত কৰি ৰাখিব পাৰে। সেয়াই সুন্দৰকৈ প্ৰতিফলিত হৈছে গল্পটোৰ নায়িকা বুঢ়ীগৰাকীৰ ক্ষেত্ৰত। দেখাত দকুৰিমান লগা এইগৰাকীৰ প্ৰকৃত বয়স তিনি কুৰি ন বছৰ। কথকৰ আশ্চৰ্যচকিত প্ৰশ্নৰ উত্তৰত তেওঁ কৈছে- 'নহয় দেউতা। অসম্ভৱ নহয়। মোৰ বয়স সেয়ে। বছৰৰ লেখে মানুহক বুঢ়া নকৰে, মনেহে কৰে। নগৰীয়া মানুহৰ জীৱন অস্বাভাৱিক, সেইদেখি আপোনালোক সোনকালে বুঢ়া হয়। মই এতিয়াও ল'ৰা-ছোৱালীৰ দৰে নাচো, হাঁহি-ধেমালি কৰি আনন্দত ফুৰোঁ, সেইদেখি মই এইদৰে আছোঁ।'

'বিহু' গল্পটোত লেখকে প্ৰথম পুৰুষত কথাখিনি ব্যক্ত কৰিছে। লেখকে নিজেই ইয়াত কথকৰ ভূমিকা লৈছে। প্ৰথমাৱস্থাত কথকজনক বিহুৰ দুৰ্ঘোৰ বিৰোধীৰ ৰূপত অংকন কৰা হৈছে। তেওঁ এই উৎসৱটি সমূলি ভাল নাপায়, তিলমাত্ৰও সহ্য কৰিব নোৱাৰে..... 'মই সৰুৰে পৰা শুচি-বায়ুৱা। বিহুৰ নামত শিয়ৰি উঠোঁ। বিহুৰ গীতৰ বিপক্ষে কাণত সোপা দিওঁ, বিহু চোৱা মানুহক ককৰ্থনা কৰোঁ।' তাৰপিছত গল্পৰ কাহিনী কাহিনীভাগ আগবাঢ়িছে তেওঁৰেই বিহুবলীয়া লগুৱা জুৰমনৰ বিহুপ্ৰেমত অতীষ্ঠ হৈ তাৰ গাৰ পৰা বিহু বাহিৰ কৰিবলৈ কৰা কাৰ্য্য-কলাপৰ জৰিয়তে। বিহুলৈ এসপ্তাহমান থাকোতেই এদিন ৰাতিপুৱাই পূজা-পাতল কৰিবলৈ লওঁতেই জুৰমনৰ মুখত বিহুগীত এফাকি শুনি খঙতে ঘৃতাহুতি হৈ তাক এসেকা ভালকৈ দিবলৈ বুলি বৰকাঁহ বজাবলৈ লোৱা মাৰিডাল লৈয়েই খেদা ধৰিলে। লাভৰ মূৰত খেদি যাওঁতে কাঠৰ মূঢ়া এটাত উজুটিয়াই ওচৰতে থকা শিল এচটাত মূৰ খুন্দিয়াই তেওঁৰ গতি বিষম হ'ল। তেনে অৰ্ধচেতন অৱস্থাতেই কথকে সপোনত দেখাৰ দৰে এই সমগ্ৰ ঘটনাক্ৰম দেখিবলৈ পাইছে। সপোন বা সমাজিকক আধাৰ হিছাপে লৈ বেজবৰুৱাই পৰিস্থিতি একোটাৰ বৰ্ণনা বিভিন্ন গল্পত কৰিছে। সপোনতে তেওঁ পথাৰৰ বৰগছ এজোপাৰ তল পাইছেগৈ-য'ত জাকে জাকে ডেকা-গাভৰুৱে বিহু নাচি গাই একাত্ম হৈ পৰিছে। তাতেই তেওঁ সেই বুঢ়ীজনীকো লগ পাইছে-যাৰ কথা আৰু কামত পতিয়ন গৈ ইমানদিনে বিহু সম্পৰ্কে থকা তেওঁৰ শুচি-বায়ু গ্ৰস্ততা দূৰ হৈছে। প্ৰথমাৱস্থাত বুঢ়ীক ডেকা-গাভৰুহঁতৰ লগত নাচি থকা দেখি বুঢ়ীক ভৎসনা কৰিছে আৰু বুঢ়ীৰ পৰা উত্তৰ পাইছে এইদৰে-'অ' আই! বঢ়ী হ'লো কি হ'ল, বছৰেকৰ বিহুৰ দিনা এপাক নাচিও নল'ম নে!'

বিহুৰ বতৰত নৃত্য- গীতৰ মাধ্যমেৰেই ডেকা-গাভৰুৰ অন্তৰত পৰস্পৰৰ প্ৰতি ওপজা প্ৰেম আৰু সেই প্ৰেমেই বিহুৰ কেইদিনতে আত্মীয়-স্বজনৰ অজ্ঞাতে কিদৰে পলাই গৈ হ'লেও ঘৰ-সংসাৰৰ পাতনি মেলিবলৈ ব্যাকুল কৰি তোলে -সেই বিষয়েও এই গল্পটোত ইংগিত আছে। বহাগ বিহুত সততে পৰিলক্ষিত হোৱা ম'হ যুজৰ বৰ্ণনাও আছে। অসমীয়া মানুহৰ আমোদ-প্ৰমোদৰ নামত অনুষ্ঠিত এই অমানুষিক খেলৰ গল্পকাৰে কথকৰ জৰিয়তে বিৰুদ্ধাচৰণ কৰিছে। কেৱল মানুহৰ ৰং-ৰহইচৰ ৰাবেই সংঘটিত কৰা এনে ম'হ যুজত ক্ষত-বিক্ষত হোৱাৰ ওপৰি ম'হৰ মৃত্যু পৰ্যন্ত ঘটে। জীৱিকাৰ প্ৰধান সম্বল পশুধনৰ মৃত্যুৰ পিছত গৰাকীৰ যি দুৰৱস্থা; সেয়াও বুঢ়ীগৰাকীৰ জৰিয়তে গল্পকাৰে ব্যক্ত কৰিছে এইদৰে -'জিলাৰ বৰচাহাবৰ কৈ এই গোকাট ম'হ যুঁজবোৰ বন্ধ কৰিব নোৱাৰে নে? এতিয়া সৌ যিটো ম'হ খোচত মৰিল, সেইটো মোৰ জোঁৱাইৰ ম'হ। মই তাক ইমান হাক দিছিলোঁ, সি মোৰ কথা নুশুনি এতিয়াই পালে পোটোকা। তিনি কুৰি ৰূপৰ ম'হটো থিতাতে গ'ল।' গল্পটোত ম'হ যুঁজৰ যথাযথ বিৱৰণ দিয়া হৈছে, তাৰ লগতে এইদৰে এই অমানুষিক খেল বন্ধ কৰাবৰ বাবে আৰ্জিও পেচ কৰোৱা হৈছে।

বেজবৰুৱাৰ গল্পবোৰত প্ৰকাশ পাইছে কল্পনা আৰু বাস্তৱৰ অপূৰ্ব সমাহাৰ, তীক্ষ্ণ পৰ্য্যবেক্ষণ ক্ষমতা আৰু গভীৰ বিশ্লেষণ দক্ষতা। 'বিহু' গল্পটোও ইয়াৰ ব্যতিক্ৰম হোৱা নাই। গল্পকাৰৰ কল্পনা শক্তিৰ পৰিচয় বহন কৰিছে গল্পটোৱে। কল্পনা আৰু বাস্তৱৰ সুসমন্বয়ত গঢ় লৈ উঠিছে 'বিহু' গল্পটো। সপোন অৰ্থাৎ কল্পনাৰ গইনা লৈ দিঠকে পোখা মেলিছে ইয়াত। গল্পটোৰ পৰিকল্পনাও ব্যতিক্ৰমী। 'বিহু' গল্পটো আগবঢ়াই নিয়া হৈছে বুঢ়ী আৰু জুৰমন —এই চৰিত্ৰ দুটাৰ জৰিয়তে। বুঢ়ীগৰাকীৰ চৰিত্ৰটো লেখকে 'চৰাল-জবাব কৰোঁতী' হিচাপে সৃষ্টি কৰিছে (ড° প্ৰফুল্ল চন্দ্ৰ কটকী)। এই চৰিত্ৰটোৰ জৰিয়তে গল্পকাৰে বিহু সম্পৰ্কীয় প্ৰশ্নৰ অৱতাৰণাও কৰিছে আৰু উত্তৰো দিয়াইছে। সমগ্ৰ গল্পটোত অসমীয়া গ্ৰাম্য সমাজখন প্ৰতিফলিত হৈছে। চৰিত্ৰ আৰু পৰিৱেশৰ যথাৰ্থ চিত্ৰণেৰে গ্ৰাম্য সমাজখন জীৱন্ত হৈ উঠিছে। স্বাধীনচিতীয়া মুকলি অন্তঃকৰণেৰে সমৃদ্ধ বুঢ়ীৰ লগতে জীয়ৰী-বোৱাৰীহঁতৰ মুক্তমনৰো যথাৰ্থ প্ৰকাশ---''বুঢ়ীয়ে অলপ পৰৰ মূৰত মাত লগালে- 'মোৰ গিৰিহঁত ঢুকাবৰ আজি আঠ বছৰ হ'ল। এই পো জী বোৱাৰীহঁতকে লৈ ঈশ্বৰৰ কৃপাত এক প্ৰকাৰ ভালেই আছো।' এনেতে বুঢ়ীৰ ৰাংঢালী বোৱাৰীয়েক এজনীয়ে বুঢ়ীৰ ফালে চাই ক'লে- 'আই! আপুনি এই ডাঙৰীয়াতে বিয়া সোমাওক।' এই কথা শুনি ছওজনীয়ে কিৰীলি মাৰি হাঁহি দিলে। বুঢ়ীয়েও সেই হাঁহিত যোগ নিদি থাকিব নোৱাৰিলে। তথাপিও বোৱাৰীয়েকৰ পিঠিত লাহেকৈ থাপৰ এটা মাৰি ক'লে- 'এই বান্দৰীজনীৰ কথাখন শুনহঁক।'' —সহজ আন্তৰিকতা আৰু নিৰ্ভেজাল ধেমালিৰ ইয়াতকৈ বেলেগ উদাহৰণ নালাগে।

এই গল্পটো প্ৰকাশ হৈছিল বাঁহীৰ ১৪ বছৰ, ১ম সংখ্যা ১৮৪৬ শকত। বেজবৰুৱাৰ ৰসাল শব্দ চয়ন, মনোগ্ৰাহী ভাষাই পাঠকক আপ্লুত কৰে— 'দূৰণিৰ পথাৰৰ পৰা অহা ঢোল আৰু টকাৰ কোব সিহঁতৰ কাণত পৰিলেই গাত আৰু গোসাঁই নাথাকে। দিনত মোৰ ভয়ত সিহঁত কোনোমতে কুচিমুচি থাকি, এধা-ডুখৰীয়া মনেৰে গৃহ-কাৰ্য্যৰ গৰু-বাটে, ম'হ-বাটেদি চলি থাকে যদিও, কিন্তু ৰাতি মই শোৱাপাটীত পৰিলেই দামুৰি-হেৰোৱা গৰুৱে হেম্বেলিয়াই গামুৰি বিচাৰি ঢাপলি মেলাদি বিহু-হাটৰ পথাৰৰ ফালে ঢাপলি মেলে আৰু ওৰে ৰাতি নাচি-বাগি, পুৱা ঘৰলৈ আহি, ভাঙৰ ৰাগী-লগা মানুহৰ দৰে খপৌজপৌকৰে ঘৰৰ কামত হাত দি, মোৰ গালি-শপনি জীন নিয়াবৰ চেষ্টা কৰে।'

গল্পটোৰ জৰিয়তে তাহানিৰ অসমৰ সৰল গ্ৰাম্য জীৱনৰ ৰঙিয়াল, সজীৱ চিত্ৰখন অতিশয় প্ৰত্যয়জনক ৰূপত তুলি ধৰা হৈছে। গছৰ তলৰ ডেকা-গাভৰুৰ বিহুনাম, পথাৰত ম'হ যুঁজৰ দৃশ্য, নৈত গা ধুৱাবলৈ নিয়া এজাক গৰু, ৰাংঢালী-ৰূপহী কথা চহকী গাভৰুহঁতৰ মুক্ত স্বাধীনচিতীয়া কথা-বতৰা - এই সকলোবোৰে তাহানিৰ ঈৰ্ষণীয় প্ৰাণ- প্ৰাচুৰ্যৰে ভৰপূৰ অসমীয়া গ্ৰাম্য জীৱনক অতিশয় জীৱন্ত কৰি তুলিছে গল্পকাৰ বেজবৰুৱাই।

লক্ষ্মীনাথ বেজবৰুৱাই অসমখনক, অসমৰ অসমীয়াক নিজৰ প্ৰাণেৰে, হৃদয়ৰ স্পন্দনেৰে জীয়াই তুলিব খুজিছিল। নিজৰ আত্মাক চিনি পোৱাৰ দৰেই চিনি পাইছিল অসমখনক। সকলো থাকিও নুবুজা, গম নোলোৱা অসমীয়াক জাতীয় ঐতিহ্যৰ গৌৰৱেৰে গৰীয়ান কৰি তুলিবলৈ অহৰহ প্ৰচেষ্টা চলাইছিল। ব্যক্তি তথা সমাজৰ শুদ্ধিকৰণৰ এক প্ৰক্ৰিয়াত আজীৱন ব্ৰতী হৈ থকা বেজবৰুৱাৰ সাহিত্যিক কৰ্মৰাজিত বিশেষকৈ গল্পবোৰত অসমীয়া সমাজৰ, জাতীয় জীৱনৰ অখণ্ড এক চিত্ৰ ভাস্কৰ হৈছে অতিশয় প্ৰত্যয়জনক আৰু সুস্পষ্ট ৰূপত। একেষাৰতে ক'বলৈ গ'লে বেজবৰুৱাৰ গল্পত আছে অসমৰ আত্মাৰ অস্তিত্ব। শংকৰ-মাধৱৰ আদৰ্শৰে, নব্য শিক্ষাৰ অৰ্থময় প্ৰসাৰেৰে, সংস্কৃতিৰ সংস্কাৰেৰে যুগনায়ক বেজবৰুৱাই এখন নতুন অসম গঢ়িবলৈ যত্ন কৰিছিল।■

# Department of Commerce Hosts Successful Innovation Event to Foster Student Entrepreneurship

*April 8,* 2025: In a dynamic effort to cultivate entrepreneurial spirit among students, the Department of Commerce recently hosted an innovative programme led by Dr. Sanjay Rizal, Assistant Professor, in collaboration with the Entrepreneurship Club, Finance Club, and Marketing Club. The event was inaugurated with great enthusiasm by the Head of Department, Mr. Prasanta Poddar, alongside Dr. Pritom Sutradhar (Finance Club Coordinator) and Ms. Anjali Yadav (Entrepreneurship Club Coordinator), whose motivational words energized participants. Students showcased a range of groundbreaking ideas, including **Farmers Bro**, **Re-Book**, **Tablets for Students**, **Eco-Friendly Bouquets**, and **Handcrafted Models**, among others. The department reaffirmed its commitment to mentoring and supporting students in transforming their concepts into real-world ventures, marking a significant stride toward building a vibrant start-up ecosystem within the institution.■

# Educational Trip to Dabur India Ltd., Tezpur Enhances Student Learning in Event Management

*April 17,* 2025: As part of the Skill Enhancement Course in Event Management, 136 students of Degree 2nd Semester from Sarupathar College embarked on an educational field trip to **Dabur India Ltd.'s manufacturing unit** in Tezpur, Assam. The visit, held on 17th April 2025, aimed to provide practical exposure to industrial operations, human resource management, and event logistics. The trip was led by faculty members **Agni Chetri**, **Pritom Sutradhar**, and **Rupjyoti Gogoi**, and included a comprehensive tour of Dabur's state-of-the-art facility- one of the leading FMCG manufacturing units in the Northeast. Students witnessed various departments in action, including **raw material testing**, **production lines**, **packaging**, **quality assurance**, and **logistics**. The plant's integration of Ayurvedic principles with modern automation offered valuable insights into balancing tradition with innovation. An orientation session conducted by Dabur officials highlighted the company's sustainability practices, brand legacy, and quality control measures. Students were also briefed on corporate ethics, hygiene standards, and operational efficiency, making the experience both informative and inspiring.

Following the industrial visit, students explored **Agnigarh**, the legendary hilltop of Tezpur, and visited **De Aloha Resort** to study hospitality and event risk management in practice—further enriching their understanding of event execution and marketing. The college extends heartfelt thanks to Dabur India Ltd., Agnigarh authorities, and De Aloha Resort for their generous support and hospitality. The trip successfully bridged academic theory with industry practice, leaving a lasting impact on students' professional outlook and learning journey.■

# Sarupathar College Bids Farewell to Degree 6th Semester Students

*Sarupathar, April 30*: The Sarupathar College Students' Union organized a heartfelt farewell ceremony on April 30, 2025, to bid adieu to the outgoing Degree 6th Semester students. Held on the college campus, the event was marked by warm speeches, cultural performances, and expressions of gratitude and best wishes. Senior faculty members and student leaders addressed the gathering, applauding the achievements of the outgoing batch and encouraging them to pursue their future goals with confidence and integrity. The ceremony concluded with the presentation of Letters of Appreciation, making it a memorable occasion for the students stepping into the next chapter of their lives.■






# Sarupathar College HS Final Examination Results Declared

*Sarupathar, April 30* – The Assam State School Education Board (ASSEB) declared the Higher Secondary Final Examination results on April 30, 2025. Sarupathar College has shown commendable performance in both Commerce and Arts streams which recorded a pass percentage of 68.85% in Commerce and Arts stream saw a 60.48% pass rate.

**Commerce Stream Overview**

Out of 122 students who appeared in the Commerce stream:

- 84 students successfully passed the examination.
- 20 students secured First Division.
- 38 students earned Second Division.
- 26 students cleared with Third Division.

Notable Performers (First Division):

- Aniket Sen emerged as the topper with an impressive 85.6%, securing letter marks in Alternative English, Accountancy, Business Studies, and Salesmanship.
- Other notable First Division holders include:

Dipankar Das, Gobinda Chutia (letter in Accountancy), Jaitun Owari, Jibon Phawa, Manash Pratim Sonowal (letter marks in Alt. English and Accountancy), Mayonk Agarwalla, Motibur Haque, Musaraf Ali (letters in Accountancy, Finance, and Economics), Raj Boro, Riman Kakati, Ankita Deb, Aska Sunar, Ayushmita Dhar (80.6%, letter marks in Accountancy and Salesmanship), Baisali Nag, Gitanjali Bhumij, Laxmi Thapa, Resham Khatun, and Mumit Ali.

**Arts Stream Overview**

In the Arts stream, a total of 167 students appeared for the examination:

- 101 students passed.
- 9 students secured First Division.
- 27 students secured Second Division.
- 65 students passed in Third Division.

First Division Achievers:

- Ayon Saikia, Rohit Paul, Semanta Bardalai, Alisha Thapa (letter marks in Sociology and History) Nandini Gorh, Nikita Lama Sapna Rai (letter marks in Sociology) Sharon Sebu (letter marks in History), Laxmi Saha.■



**Weaving Exhibition 2025**



**Economics Department Launches First Volume of Handwritten Magazine 'Artha Drishti'**








**Department of Commerce Hosts Successful Innovation Event to Foster Student Entrepreneurship**




নতুনক আদৰিবলৈ প্ৰস্তুত হৈছে ৫৫ বছৰীয়া
দুৰন্ত তৰুণ জীৱন গঢ়াৰ কমাৰশাল
সৰুপথাৰ মহাবিদ্যালয়

প্ৰতিবিম্ব ই-বাৰ্তাৰ এই সংখ্যাৰ
সম্পাদনা সমিতিঃ
মুখ্য উপদেষ্টাঃ ড° প্ৰাপ্তি ঠাকুৰ
উপদেষ্টাঃ ড° ববিতা দত্ত
সম্পাদকঃ সত্যব্ৰত দত্ত
সম্পাদক (ইংৰাজী শাখা)ঃ তৃস্মিতা বড়া
সহঃ সম্পাদকঃ যুগল মেধি
কাৰিকৰী ব্যৱস্থাপনা ঃ যুগল মেধি